
Acc.No ৭৩

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza




## মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

# মহাবিদ্যালয় সপ্তাহ আৰম্ভ

প্ৰতিদিন সেৱা, মিৰ্জা, ৫ ফেব্ৰুৱাৰী ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাৰ আজিৰ পৰা মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছে। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। ছহিদ তৰ্পণ কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি জিতুল চন্দ্ৰ কুমাৰে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা জাহ্নৱী দেৱীয়ে, সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে প্ৰাক্তন অধ্যাপক হৰেন দাসে। শোভাযাত্ৰাৰ বিচাৰকৰ দায়িত্বত থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ অসমীয়া বিভাগৰ অধ্যাপক এডৱাৰ্ড ষ্টেডিএন চাংমা, উপৰহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বলেন্দ্ৰ চন্দ্ৰ কুমাৰ, বকো জে এন কলেজৰ অসমীয়া বিভাগৰ সহঃ অধ্যাপিকা গায়ত্ৰী খাৰঘৰীয়া। আনহাতে পৰম্পৰাগত খেল-ধেমালিৰ এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়।

ASOMIYA PRATIDIN - February 06, 2024 P.=11


অসমীয়া প্ৰতিদিন- ৬ ফেব্ৰুৱাৰী, ২০২৪. পৃ: =১১

Acc.No 94

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণী অনুষ্ঠানত সাংবাদিক বিদ্যুৎ কলিতা

# আমি খেল, কলা-সংস্কৃতিৰ জৰিয়তেও নিজক প্ৰতিষ্ঠা কৰিব পাৰো



প্ৰতিদিন সেৱা, মিৰ্জা, ৯ ফেব্ৰুৱাৰী ঃ মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত যোৱা ৫ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ ৮ ফেব্ৰুৱাৰীত সামৰণি পৰে। এই উপলক্ষে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মাই আঁত ধৰা আৰু অধ্যক্ষ ড° নৱকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা তথা বঁটা বিতৰণী সভাত নিমন্ত্ৰিত অতিথি হিচাপে অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সহকাৰী সম্পাদক বিদ্যুৎ কলিতাই কয়— ছাত্ৰ-ছাত্ৰীৰ বাবে পঢ়া-শুনাই শেষ কথা নহয়, মহাবিদ্যালয় সপ্তাহ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিভা বিকাশ কৰা এখন বিশেষ মঞ্চ। আমি খেল, কলা-সংস্কৃতিৰ জৰিয়তেও নিজক প্ৰতিষ্ঠা কৰিব পাৰো। তেওঁ দক্ষিণ কামৰূপৰ গৌৰৱ শিল্পী বীৰেন সিংহ, সংগীতা কাকতিকে ধৰি বহুজনৰ বিষয়ে ভাষণত উল্লেখ কৰে। এই সভাতে লোক সংস্কৃতিৰ সাধক সুকুমাৰ মেধিয়ে দক্ষিণ কামৰূপৰ বিভিন্ন লোক-কৃষ্টি-সংস্কৃতি বিশেষকৈ ওজাপালি, নাওখেলৰ গীত, ঝেজেৰা, নৃত্য, কামৰূপী লোক গীতৰ আদিৰ বিষয়ে কয়। সভাত এই মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভানেত্ৰী ড° জাহ্নৱী দেৱী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাসে শিক্ষামূলক ভাষণ দিয়ে। মহাবিদ্যালয়খনৰ অধ্যাপিকা মিতালী কাঠকটীয়া, ছাত্ৰী একতা সভাৰ সভানেত্ৰী লীজা তালুকদাৰেও অনুষ্ঠানত সহযোগিতা আগবঢ়ায়। এই সভাতে বিভিন্ন গীত-মাতৰ সাংস্কৃতিক কাৰ্যসূচীৰ লগতে বঁটা প্ৰদান কৰা হয়। সভাপতিৰ আসনৰ পৰা ড° নৱকান্ত অধিকাৰীয়ে সকলোৰে শলাগ লয়।

ASOMIYA PRATIDIN - 10 February, 2024 P-6

অসমীয়া প্ৰতিদিন - ১০ ফেব্ৰুৱাৰী, ২০২৪. পৃ: - ৬

Acc.No 95

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

**কলেজ সপ্তাহ শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশৰ বিশেষ মঞ্চ**

# মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি

নিয়মীয়া বাৰ্তা, কুকুৰমাৰা, ১০ ফেব্ৰুৱাৰী ঃ দক্ষিণ কামৰূপৰ আগশাৰীৰ মহিলা শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাৰ ৫ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ কালি বিয়লি সফল সামৰণি পৰে। এই উপলক্ষে কালি মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মাই আঁত ধৰা আৰু অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা তথা বঁটা বিতৰণী সভাত নিমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ সহকাৰী সম্পাদক বিদ্যুৎ কলিতাই কয়— 'ছাত্ৰ-ছাত্ৰীৰ বাবে পঢ়া-শুনাই শেষ কথা নহয়, মহাবিদ্যালয় সপ্তাহো ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিভা বিকাশ কৰা এখন বিশেষ মঞ্চ। এই মঞ্চৰ পৰাই শিক্ষাৰ্থীসকলে নিজক প্ৰতিষ্ঠা কৰাৰ এক বিশেষ সুযোগ লাভ কৰে। পঢ়া-শুনা কৰা মানে যে চাকৰি পাব লাগিব তেনেকুৱা কথা নহয়। আমি খেল,



কলা-সংস্কৃতিৰ জড়িয়তেও আমাক প্ৰতিষ্ঠা কৰিব পাৰোঁ।' তেওঁ দক্ষিণ কামৰূপৰ গৌৰব শিল্পী বীৰেন সিংহ, সংগীতা কাকতিকে ধৰি বহুজনৰ বিষয়ে ভাষণত উল্লেখ কৰি ছাত্ৰীসকলক আপ্লুত কৰি তোলে। আমি পশ্চিমীয়া সাংস্কৃতিৰ প্ৰতিহে গুৰুত্ব প্ৰদান কৰি আহিছোঁ। কিন্তু আমি আমাৰ মাজত থকা কৃষ্টি-সংস্কৃতিৰ প্ৰতি উদাসীন মনোভাব পোষণ কৰি অহাটো ভাল কথা নহয় বুলি তেওঁ কয়। সভাত লোকসংস্কৃতিৰ সাধক সুকুমাৰ মেধিয়ে অংশগ্ৰহণ কৰি দক্ষিণ কামৰূপ বিভিন্ন লোককৃষ্টি-সংস্কৃতি, বিশেষকৈ ওজাপালি, নাওখেলৰ গীত, ঝেজেৰা নৃত্য, কামৰূপী লোক গীতৰ আদিৰ বিষয়ে কয়। সভাত এই মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভানেত্ৰী ড° জাহ্নৱী দেৱী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাসে অংশগ্ৰহণ কৰি শিক্ষামূলক ভাষণ দিয়ে। মহাবিদ্যালয়খনৰ অধ্যাপিকা মিতালী কাঠকটীয়া, ছাত্ৰী একতা সভাৰ সভানেত্ৰী লীজা তালুকদাৰেও সভাত উপস্থিত থাকি সহায়-সহযোগ আগবঢ়ায়। সভাত বিভিন্ন গীত-মাত, সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰাৰ লগতে বিভিন্ন শিতানত বঁটা লাভ কৰা ছাত্ৰীসকলৰ মাজত বঁটা প্ৰদান কৰা হয়। শেষত সভাপতিৰ আসনৰ পৰা ড° নৰকান্ত অধিকাৰীয়ে মহাবিদ্যালয় সপ্তাহৰ সফল ৰূপায়ণৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰী, শিক্ষক গোট, শুভাকাংক্ষীৰ শলাগ লয়।

NIYOMIYA BARTA - 11 February, 2024 P.-9
নিয়মীয়া বাৰ্তা - ১১ ফেব্ৰুৱাৰী, ২০২৪, পৃঃ -৯

Acc.No : 96

Dakshin Kamrup Girls' College Library
Estd-1988
* Mirza *

মির্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

# সৰস্বতী পূজাত প্ৰাচীৰ পত্ৰিকা উন্মোচন

প্ৰতিদিন সেৱা, মির্জা, ১৪ ফেব্ৰুৱাৰী ঃ সৰস্বতী পূজাৰ সৈতে সংগতি ৰাখি আজি মির্জাৰ কামৰূপ ছোৱালী মহাবিদ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অনুস্মিতা দাসে যুগুত কৰা আৰু অধ্যাপক ড° প্ৰশান্ত বৰাৰ পৰিকল্পনাত প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰে মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ অধ্যাপিকা অলকা দাসে। গ্ৰন্থপঞ্জী উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা, আই কিউ এ চিৰ সমন্বয়ক ড° বিপন দলে, পলাশবাৰী সাহিত্য সভাৰ সভাপতি গজেন চন্দ্ৰ দাসকে ধৰি বহুকেইজন অধ্যাপক, অধ্যাপিকাই অংশগ্ৰহণ কৰে।

ASOMIYA PRATIDIN - 15, February, 2024. P-9

অসমীয়া প্ৰতিদিন - ১৫, ফেব্ৰুৱাৰী, ২০২৪. পৃঃ-৯

Acc.No 97

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

# মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী কলেজত প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' উন্মোচন

নিয়মীয়া বাৰ্তা, কুকুৰমাৰা, ১৫ ফেব্ৰুৱাৰী : সৰস্বতী পূজাৰ সৈতে সংগতি ৰাখি কালি দক্ষিণ



কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাত কেইবাটাও কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। এই উপলক্ষে সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অনুষ্মিতা দাসে যুগুত কৰা আৰু অধ্যাপক ড° প্ৰশান্ত বৰাৰ পৰিকল্পনাত প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' উন্মোচন কৰে মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা অলকা দাসে। গ্ৰন্থপঞ্জী উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। তেওঁ কয়— ১৯৮৮ চনৰ পৰা বৰ্তমানলৈকে সামৰি প্ৰাক্তন-বৰ্তমানৰ অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীৰ লেখা ২৬৯খন গ্ৰন্থৰ কথা এই গ্ৰন্থখনত উল্লেখ কৰা হয়। সকলোৰে যাতে স্মৃতিবোৰ হেৰাই নাযায় তাৰ বাবে গ্ৰন্থখন উন্মোচন কৰা হয়। ৩৮ বছৰে সংৰক্ষণ হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে। কাৰ্যসূচীত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা, আইকিউএচিৰ সমন্বয়ক ড° ৰিপন দলে, পলাশবাৰী সাহিত্য সভাৰ সভাপতি গজেন চন্দ্ৰ দাসকে ধৰি বহুকেইজন অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰে। লগতে কালি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা মহাবিদ্যালয়খনত সৰস্বতী পূজা উপলক্ষে এটি ছেল্‌ফি জ'ন প্ৰদৰ্শন কৰা হয়।

NIYOMIYA BARTA - 16 February, 2024. P-2
নিয়মীয়া বাৰ্তা - ১৬ ফেব্ৰুৱাৰী, ২০২৪. পৃ:- ২

Acc.No 98

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাত গ্ৰন্থপঞ্জী, প্ৰাচীৰ পত্ৰিকা উন্মোচন

নিজা বাতৰি দিওঁতা

পলাশবাৰী, ১৭ ফেব্ৰুৱাৰী ঃ সৰস্বতী পূজাৰ সৈতে সংগতি ৰাখি ১৪ ফেব্ৰুৱাৰীত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাত কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা অনুস্মিতা দাসে যুগুত কৰা আৰু অধ্যাপক ডঃ প্ৰশান্ত বৰাৰ পৰিকল্পনাত প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰে মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা অলকা দাসে। গ্ৰন্থপঞ্জী উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ নৱকান্ত অধিকাৰীয়ে। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ ৰঞ্জন ভূঞা, আই কিউ এ চিৰ সমন্বয়ক ডঃ বিপন দলে, পলাশবাৰী সাহিত্য সভাৰ সভাপতি গজেন চন্দ্ৰ দাসকে ধৰি বহুকেইজন অধ্যাপক, অধ্যাপিকাই অংশগ্ৰহণ কৰে। লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা সৰস্বতী পূজা উপলক্ষে এটি ছেল্‌ফি জ'নৰ প্ৰদৰ্শন কৰা হয়।

DAINIK ASAM – 18 February, 2024. P-8

দৈনিক অসম – ১৮ ফেব্ৰুৱাৰী, ২০২৪. পৃঃ-৮

Acc.No ৭৭

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

**২ কোটিৰ ভাষা অসমীয়া, হীনমন্যতাত ভোগাৰ কাৰণ নাই**

# মাথোঁ ৪৪ লাখ নৰৱে'জনৰ প্ৰতিনিধি য়'ন ফছেই সাহিত্যত নোবেল পালে

'আমাৰ অসম'ৰ পলাশবাৰীৰ প্ৰতিবেদক, ২৩ ফেব্ৰুৱাৰী ঃ 'আধুনিক ভাষা-সাহিত্যৰ ক্ষেত্ৰত অসমীয়াৰ স্থান ভাৰততেই নহয়, বিশ্বতো উল্লেখযোগ্য। নৱকান্ত বৰুৱা, নীলমণি ফুকনৰ পৰা সৌৰভ চলিহা, অপূৰ্ব শৰ্মালৈ বহু সাহিত্যিকৰ বৰঙণিয়ে অসমীয়া সাহিত্যক এনেধৰণে সমৃদ্ধ কৰিছে যে আজি হিন্দীকে ধৰি দেশৰ আনবোৰ বৃহৎ ভাষাৰ সাহিত্যয়ো আমাৰ লগত ফেৰ মাৰিব নোৱাৰে।' —এই ভাষ্য 'আমাৰ অসম'ৰ মুখ্য সম্পাদক,

৮ পৃষ্ঠাত



গ্ৰন্থালাপ। মনোজ কুমাৰ গোস্বামীক সম্বৰ্ধনা

## মাথোঁ ৪৪ লাখ নৰৱে'জনৰ

সাহিত্য অকাদেমি বঁটাপ্ৰাপক বিশিষ্ট গল্পকাৰ মনোজ কুমাৰ গোস্বামীৰ। কামৰূপ জিলাৰ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত শুকুৰবাৰে অনুষ্ঠিত 'গ্ৰন্থালাপ' শীৰ্ষক অনুষ্ঠানত মুখ্য অতিথি হিচাপে দিয়া ভাষণ প্ৰসংগত বিশিষ্ট সাহিত্যিক-সাংবাদিকগৰাকীয়ে এইদৰে কয়। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত দিয়া ভাষণ প্ৰসংগত 'এন কে টিভি'ৰো মুখ্য সম্পাদকৰ দায়িত্বত থকা মনোজ কুমাৰ গোস্বামীয়ে কয়— 'নৰৱে'ৰ য়'ন ফছেই যোৱাবছৰ সাহিত্যত নোবেল বঁটা পাইছিল। কিন্তু মাথোঁ ৪৪ লাখ মানুহেহে নৰৱে'জন ভাষা কয়। অথচ প্ৰায় ২ কোটি মানুহে অসমীয়া ভাষা কয় বা লিখে। সেয়ে অসমীয়া সাহিত্য অনুবাদ কৰি বিশ্বৰ মঞ্চলৈ লৈ যোৱাটো প্ৰয়োজনীয়। ধৰ্মতকৈ ভাষা বহু শক্তিশালী। মাতৃভাষাইহে এটা জাতিৰ স্বকীয়তা আৰু সংস্কৃতি বজাই ৰাখে। বিভিন্ন ভাষা জনাটোও প্ৰয়োজনীয়। মাতৃভাষাৰেহে আমি কল্পনা, উদ্ভাৱন আৰু সৃষ্টিশীলতাত অগ্ৰসৰ হ'ব পাৰিম।' মহাবিদ্যালয়খনৰ ডিজিটেল শ্ৰেণীকোঠাত অনুষ্ঠিত 'গ্ৰন্থালাপ' অনুষ্ঠানত মাতৃভাষা সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক মনোজ কুমাৰ গোস্বামীৰ সৈতে অন্তৰংগ আলাপতো মিলিত হয় শতাধিক ছাত্ৰী। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ তৰফৰ পৰা গোস্বামীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক কিশোৰ শৰ্মাই মনোজ কুমাৰ গোস্বামীৰ জীৱন, সৃষ্টি আৰু কৰ্মৰাজিৰ বিষয়ে বৰ্ণনা কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত 'গ্ৰন্থালাপ'ত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ উপৰি বহুসংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

AMAR ASOM - 24, February, 2024. P-3

আমাৰ অসম - ২৪ ফেব্ৰুৱাৰী, ২০২৪. পৃঃ-৩

Acc.No 100

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza



অৱসৰপ্ৰাপ্ত অধ্যক্ষ

# মিৰ্জাৰ তৰুণ চন্দ্ৰ দাসৰ পৰলোকপ্ৰাপ্তি

নিয়মীয়া বাৰ্তা, ৰামপুৰ, কুকুৰমাৰা, ২৫ ফেব্ৰুৱাৰী ঃ দক্ষিণ কামৰূপৰ শৈক্ষিক ক্ষেত্ৰখনৰ এগৰাকী অগ্ৰণী যোদ্ধা, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা নেতৃত্ব লৈ ১৯৯৯ বৰ্ষত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা শিক্ষাবিদ, অধ্যাপক তৰুণ চন্দ্ৰ দাসৰ আজি ৮ পৃষ্ঠাত

## মিৰ্জাৰ তৰুণ চন্দ্ৰ দাসৰ পৰলোকপ্ৰাপ্তি

পুৱা পাঁচ বজাত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। ১৯৯৬ বৰ্ষত স্থাপন কৰা ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়তো অধ্যক্ষ হিচাপে যোগদান কৰি শিক্ষানুষ্ঠানখনৰ উন্নয়নৰ কাৰণে তেওঁ বহুখিনি কাম কৰি থৈ গৈছে। আজি তেওঁৰ মৃত্যুৰ বাৰ্তা শুনি সমাজ জীৱনৰ বহুসংখ্যক অগ্ৰণী ব্যক্তি তেওঁৰ মিৰ্জাস্থিত বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জনায়। পাছত তেওঁৰ নশ্বৰদেহ পাঁচ শতাধিক লোকে শোক সমদল কৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়লৈ নি অন্তিম শ্ৰদ্ধাঞ্জলি জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীকে ধৰি অধ্যাপক-অধ্যাপিকামণ্ডলী, অনা-শিক্ষক কৰ্মচাৰীবৃন্দ, ছাত্ৰী একতা সভাৰ প্ৰতিনিধিসকলে শ্ৰদ্ধাঞ্জলি জনায়। তেওঁৰ নশ্বৰদেহ মিৰ্জা পূজা মণ্ডপলৈ নি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীনমণি কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি নিৰোদ কুমাৰ দাস, বেদব্ৰত দাস, পলাশবাৰী সাহিত্য সভা, আজাৰাৰ হৰি-গায়ত্ৰী মহাবিদ্যালয়ৰ প্ৰতিনিধিৰ লগতে অনেক সংস্থাই তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শ্মশানযাত্ৰাত উপস্থিত থাকে। শিক্ষাবিদগৰাকীৰ মৃত্যুত সদৌ অসম দেৱ দামোদৰ সংঘৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক তথা প্ৰয়াত শিক্ষাবিদগৰাকীৰ ছাত্ৰ বিমল শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰসহ অনেক আত্মীয়-কুটুম্ব আৰু সহস্ৰাধিক গুণমুগ্ধক এৰি থৈ গৈছে।

NIYOMIYA BARTA - 26 February, 2024. P-3


নিয়মীয়া বাৰ্তা - ২৬ ফেব্ৰুৱাৰী, ২০২৪. পৃঃ-৩

Acc.No: 101

Dakshin Kamrup Girls' College Library
Estd-1988
* Mirza *

# দক্ষিণ কামৰূপ ছোৱালী কলেজত 'মনৰ শক্তি' শীৰ্ষক কৰ্মশালা

নিয়মীয়া বাৰ্তা, কুকুৰমাৰা, ১০ মাৰ্চ ঃ নামনি অসমৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত মহাবিদ্যালয়খনৰ এনএছএছৰ উদ্যোগত কালি দিনৰ ১০ বজাৰ পৰা মহাবিদ্যালয়খনত ছাত্ৰীসকলৰ বাবে 'মনৰ শক্তি' শীৰ্ষক এক এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ এনএছএছ গোটৰ প্ৰ'গাম অফিচাৰ তথা শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা ড° মিতালী কাঠকটীয়াই শুভ আৰম্ভ কৰা এই কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে পেছাদাৰী ব্যক্তিত্ব বিকাশৰ প্ৰশিক্ষক, প্ৰেৰণাদায়ক বক্তা, সৃজনশীল লেখক, অধ্যাপক ড° শৈলেন দাস। এই কৰ্মশালাত ছাত্ৰীসকলক ব্যক্তিত্ব বিকাশ, সময় ব্যৱস্থাপনা, মনৰ শক্তি আদিৰ ওপৰত আলোকপাত কৰা হয়। এই কৰ্মশালাত ছাত্ৰীসকলে মনৰ শক্তি সম্পৰ্কীয় নিজৰ ব্যক্তিগত কিছুমান সমস্যাৰ সমাধান



বিচাৰে। লগতে নিজৰ ব্যক্তিত্ব বিকাশ সম্পৰ্কত বাৰ্তালাপ কৰে। প্ৰায় ৫০গৰাকী ছাত্ৰীয়ে ভাগ লোৱা এই কৰ্মশালাত উপস্থিত থাকি ড° দাসে কয়— এই কৰ্মশালাই জীৱনৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সহায় কৰিব। মানুহৰ ব্যক্তিত্ব বিকাশ নহ'লে জীৱনৰ চূড়ান্ত সফলতা চুব নোৱাৰে। মনৰ শক্তিক উচিত কামত লগাই জীৱনক এটা যাত্ৰা হিচাপে ল'ব পাৰিলেই জীয়াই থাকি ভাল লাগে। আমাৰ সকলোৰে সৰু-ডাঙৰকৈ হ'লেও এটা জীৱিকা হ'ব। কিন্তু বহুতৰে জীৱন নাথাকে। আমি জীৱন গঢ় দিয়াৰ কথা ভাবিব লাগিব, আজিৰ পৃথিৱী প্ৰতিযোগিতাৰ পৃথিৱী। এই দিনত আনৰ লগত ফেৰ মাৰিবলৈ আমাক প্ৰচণ্ড মনৰ শক্তিৰ প্ৰয়োজন বুলি ব্যক্ত কৰে। যোৱা ২ মাৰ্চৰ পৰা এসপ্তাহৰ বাবে আয়োজন কৰা এনএছএছ কেম্পত ছাত্ৰীসকলক ক্ষেত্ৰ অধ্যয়নৰ লগতে বিভিন্ন ব্যৱহাৰিক জ্ঞান দিয়াৰ লগতে উক্ত কৰ্মশালাৰ জৰিয়তে জীৱনমুখী কিছু জ্ঞান দিয়াবলৈ চেষ্টা কৰে। ভাৰতৰ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়খনৰ এনএছএছ গোটে বিগত দিনত ভালেমান কাম কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। কৰ্মশালাৰ দ্বাৰা আমাৰ ছাত্ৰীসকল অতিকৈ লাভান্বিত হ'ল। এনেকুৱা কথা-বতৰা আৰু কৰ্মশালা আমি এনএছএছ গোটৰ দ্বাৰা গাঁৱে গাঁৱে লৈ যোৱাৰ চেষ্টা কৰিম বুলি মহাবিদ্যালয়খনৰ এনএছএছ গোটৰ প্ৰ'গাম অফিচাৰ তথা শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা ড° মিতালী কাঠকটীয়াই ব্যক্ত কৰে।

NIYOMIYA BARTA - 11, March, 2024. P-7
নিয়মীয়া বাৰ্তা - ১১ মাৰ্চ, ২০২৪. পৃঃ-৭

Acc.No 102

Dakshin Kamrup Girls' College Library
Estd-1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অভিভাৱক সন্থাৰ সাধাৰণ সভা সম্পন্ন



আমাৰ খবৰ, পলাশবাৰী, ১২ নৱেম্বৰ ঃ দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদালয়ত অভিভাৱক সন্থাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন ১০ নবেম্বৰত মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। সভাখন উদ্বোধন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। তেওঁ ভাষণত কয় — শিক্ষাৰ উন্নতিয়েই দেশৰ উন্নতি। এইক্ষেত্ৰত অভিভাৱকৰ দায়িত্ব অসীম। মুখ্য অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবকান্ত অধিকাৰী। সভাত ড° বিপুন দলে আৰু ড° হৰেণ চন্দ্ৰ কলিতাই সম্পাদন কৰা 'ৱ'মেন ইন ইণ্ডিয়ান ন'লেজ চিস্টেম' গ্ৰন্থখন উন্মোচন কৰে অধ্যক্ষ ড° নবকান্ত অধিকাৰীয়ে। উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা, ড° জগন্নাথ বৰ্মন ড° প্ৰশান্ত বৰা, গ্ৰন্থাগাৰিক ড° কিশোৰ কুমাৰ শৰ্মা, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° বিপুন দলে মহাবিদ্যালয়ৰ আভ্যান্তৰীণ দিশ আৰু নাকৰ দল আহিলে কেনেদৰে সহযোগ কৰিব লাগে বহলাই কয়। গীতিকাৰ-সুৰকাৰ আনন্দ দাস, প্ৰাক্তন ছাত্ৰী ইন্দোৰা বাভা আৰু মহাবিদ্যালয়ৰ ছাত্ৰী জেনিয়াৰা বেগমে গীত পৰিৱেশন কৰে। সভাখনত সভাপতিত্ব কৰে সন্থাৰ সভাপতি ৰমেশ চন্দ্ৰ মহন্তই। উপ-সভাপতি অমৃত চন্দ্ৰ ৰাভাই অভিভাৱক সন্থাই কৰা কামৰ খতিয়ান দাঙি ধৰে। বছৰেকীয়া হিচাপ পাঠ কৰে হিচাপ পৰীক্ষক ড° ৰঞ্জন ভূঞাই। সম্পাদক অতুল চন্দ্ৰ দাসে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে আৰু শলাগ জ্ঞাপন কৰে।

ASOMIYA KHABAR — 13, November, 2024. P-9

অসমীয়া খবৰ — ১৩ নৱেম্বৰ, ২০২৪. পৃ-৯